International Journal for Multidisciplinary Research (IJFMR)
E-ISSN: 2582-2160 ● Website: www.ijfmr.com ● Email: editor@ijfmr.com

# অসম আন্দোলনকেন্দ্ৰিক গৱেষণামূলক ব্যক্তিগত চৰ্চ্চা: এক পৰিচয়মূলক অধ্যয়ন

জেনিফা পাৰবিন
গৱেষক, অসমীয়া বিভাগ, কটন বিশ্ববিদ্যালয়

সংক্ষিপ্তসাৰঃ
স্বৰাজোত্তৰ অসমৰ ঐতিহাসিক ঘটনাসমূহৰ ভিতৰত অসম আন্দোলন অন্যতম। সুদীৰ্ঘ ছয় বছৰ জুৰি সমগ্ৰ অসমত বিয়পি থকা এই আন্দোলন মুখ্যত অসমলৈ প্ৰব্ৰজিত হোৱা অবৈধ নাগৰিকৰ বিপক্ষে গঢ় লৈ উঠে৷ অসম চুক্তিৰে সামৰণি পৰা এই আন্দোলনে অসমৰ ৰাজনৈতিক-অৰ্থনৈতিক দিশত বিশেষ ভূমিকা পালন কৰি আহিছে৷ সমান্তৰালভাৱে সাহিত্যৰ ক্ষেত্ৰতো অসম আন্দোলনৰ প্ৰভাৱ নুই কৰিব নোৱাৰি৷ সাহিত্যিক-বুদ্ধিজীৱীসকলে বিভিন্ন সময়ত আন্দোলনভিত্তিক চুটিগল্প, উপন্যাস, নাটক, আত্মজীৱনী, গীত, সমালোচনামূলক লিখনি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভড়াল চহকী কৰিছে৷ আমাৰ এই গৱেষণা পত্ৰখনৰ জৰিয়তে আন্দোলনৰ ভিত্তিত ৰচিত হোৱা সমালোচনামূলক গ্ৰন্থসমূহৰ বিষয়ে পৰ্যালোচনা কৰিবলৈ চেষ্টা কৰা হৈছে৷

বীজশব্দঃ অসম আন্দোলন, সাহিত্য, গৱেষণামূলক ৰচনা, ব্যক্তিগত চৰ্চ্চা৷

## ১. অৱতৰণিকাঃ

অসম আন্দোলন হ'ল স্বৰাজোত্তৰ অসমৰ সবাতোকৈ গুৰুত্বপূৰ্ণ পৰিঘটনা । খিলঞ্জীয়া অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন হিচাপে চিহ্নিত হোৱা অসম আন্দোলনৰ মূল উদ্দেশ্য আছিল অসমৰ অবৈধ বিদেশী বহিষ্কাৰ । দ্ৰুতগতিত বাঢ়ি অহা অনুপ্ৰৱেশকাৰীৰ সমস্যাই শিলঞ্জীয়া অসমীয়াৰ মনত সৃষ্টি কৰা অস্তিত্ত্বৰ সংকটৰ বৰ্হিঃপ্ৰকাশ হিচাপে অসম আন্দোলনৰ সূত্ৰপাত হয় । ইয়াণ্ডাবু সন্ধিৰ চুক্তি অনুসৰি অসম ব্ৰিটিছ সাম্ৰাজ্যৰ অধীন হোৱাৰ পৰাই সময়ে সময়ে অসমলৈ প্ৰব্ৰজন সংঘটিত হৈ থাকিল । দেশে স্বাধীনতা লাভ কৰাৰ পিছতো ভিন্ন ৰাজনৈতিক-অৰ্থনৈতিক পটভূমিত অসমলৈ হোৱা প্ৰব্ৰজনে খিলঞ্জীয়া অসমীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি সৃষ্টি কৰাৰ লগে লগে সমগ্ৰ অসমতে বিদ্ৰোহৰ আৰম্ভণি হয় । বিশেষকৈ ১৯৭৯ চনৰ ২৮ মাৰ্চ তাৰিখে মঙলদৈ সাংসদীয় সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ আকস্মিক বিয়োগৰ ফলত অনুষ্ঠিত কৰিবলৈ ওলোৱা উপ-নিৰ্বাচনৰ ভোটাৰ তালিকাত প্ৰায় চিয়াল্লিছ হাজাৰ অবৈধ ভোটাৰৰ নাম প্ৰকাশ হোৱাৰ লগে লগে জনসাধাৰণ অসন্তুষ্ট হৈ পৰে । এই অসন্তুষ্টিৰ তাৎক্ষণিক বৰ্হিপ্ৰকাশ হিচাপে অসম আন্দোলনৰ আৰম্ভণি হয় । প্ৰথমাৱস্থাত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত আৰম্ভ হোৱা এই আন্দোলনত পৰৱৰ্তী সময়ত অসমৰ সকলো দল-সংগঠনে পূৰ্ণ সহযোগ আগবঢ়ায়৷ লাহে লাহে এই আন্দোলন অধিক তীব্ৰ হৈ উঠাত চৰকাৰে বিভিন্ন পন্থাৰে আন্দোলন দমন কৰিবলৈ চেষ্টা চলায়৷ চৰকাৰ আৰু আন্দোলনকাৰী নেতৃবৃন্দৰ মাজত হোৱা আলোচনাৰ মাধ্যমত ১৯৮৫ চনৰ ১৪ আগষ্ট তাৰিখে ঐতিহাসিক অসম চুক্তি স্বাক্ষৰ হয়৷ এই চুক্তি অনুসৰি ১৯৬৬ চনৰ ৰ জানুৱাৰী বা তাৰ আগৰপৰা অসমত বসবাস কৰা লোকসকলক ভাৰতীয়

নাগৰিক হিচাপে গণ্য কৰা হব৷ অৱশ্যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ মাজনিশালৈ অহা লোকসকলক চিনাক্ত কৰি ভোটাধিকাৰ সাব্যস্ত কৰাৰ ব্যৱস্থা আছে৷ লগতে চুক্তিত অসমত নতুন শোধানাগাৰ স্থাপন, অশোক কাগজ কল আৰু মৰাপাট কলৰ পুনৰুদ্ধাৰ, আই. আই. টি স্থাপনৰ প্ৰতিশ্ৰুতি দিয়ে৷ অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে সুদীৰ্ঘ ছবছৰীয়া অসম আন্দোলনৰ পৰিসমাপ্তি ঘটে।

## ২. অধ্যয়নৰ উদ্দেশ্যঃ

গৱেষণা পত্ৰখনৰ জৰিয়তে অসম আন্দোলন সম্পৰ্কে সাম্যক ধাৰণা এটি দিয়া হৈছে৷ লগতে আন্দোলনৰ ভিত্তিত ৰচিত সাহিত্যসমূহ বিশেষকৈ ব্যক্তিগত চৰ্চাৰে প্ৰকাশিত হোৱা গৱেষণামূলক গ্ৰন্থসমূহৰ বিষয়ে আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে৷ আমাৰ এই গৱেষণা-পত্ৰখনৰ জৰিয়তে ব্যক্তিগতভাৱে চৰ্চা হোৱা অসম আন্দোলনকেন্দ্ৰিক গৱেষণামূলক বা সমালোচনামূলক গ্ৰন্থসমূহৰ এটি পৰিচয়মূলক অধ্যয়ন আগবঢ়াবলৈ চেষ্টা কৰা হৈছে৷ গ্ৰন্থসমূহত আন্দোলনবিষয়ক কোনবোৰ দিশে অধিক গুৰুত্ব লাভ কৰিছে, সেয়া ফঁহিয়াই চাবলৈ যত্ন কৰা হৈছে৷

## ৩. অধ্যয়নৰ পদ্ধতিঃ

অসম আন্দোলনকেন্দ্ৰিক গৱেষণামূলক ব্যক্তিগত চৰ্চাঃ এক পৰিচয়মূলক অধ্যয়ন শীৰ্ষক প্ৰস্তাৱিত বিষয়টি অধ্যয়নৰ বাবে সমীক্ষাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে৷ সমীক্ষাত্মক পদ্ধতিৰ অৱলম্বনৰ দ্বাৰা প্ৰতিটো তথ্য বিচাৰ কৰি শুদ্ধাশুদ্ধতা নিৰ্ণয় কৰিবলৈ চেষ্টা কৰা হৈছে৷

## ৪. মূল বিষয়ৰ আলোচনাঃ

অসম আন্দোলনক কেন্দ্ৰ কৰি সময়ে সময়ে বিভিন্ন ধৰণৰ চুটিগল্প, উপন্যাস, নাটক, আত্মজীৱনী আদি সৃষ্টিশীল সাহিত্য ৰচনা হোৱা দেখিবলৈ পোৱা যায়৷ আন্দোলনৰ বিভিন্ন তত্ত্ব বা দিশসমূহৰ আলোচনাৰে অসম আন্দোলনভিত্তিক গৱেষণামূলক গ্ৰন্থও প্ৰকাশিত হৈছে৷ এই গ্ৰন্থসমূহৰ সহায়ত আমি আন্দোলনৰ পটভূমিৰ বিভিন্ন দিশ, আন্দোলনৰ ঘটনাপ্ৰৱাহ আদি সম্পৰ্কে ধাৰণা লবলৈ সহায়ক হয়। হৰেন্দ্ৰনাথ বৰুৱাৰ 'অসমৰ বিদেশী সমস্যা' (১৯৭৯) এখন উল্লেখযোগ্য আন্দোলনকেন্দ্ৰীক গ্ৰন্থ৷ গ্ৰন্থখনত প্ৰব্ৰজনৰ ফলত অসমত সৃষ্টি হোৱা সমস্যাসমূহৰ বিষয়ে মত তুলি ধৰা দেখিবলৈ পোৱা গৈছে৷ অসম আন্দোলন বিষয়ক আন এখন উল্লেখযোগ্য গ্ৰন্থ হ'ল লক্ষ্মীনন্দন বৰাৰ 'আকৌ শৰাইঘাট' (১৯৮০)৷ মূলতঃ আন্দোলনৰ প্ৰথম পৰ্যায়ৰ ঘটনাৰাজিৰ বৰ্ণনাৰে গ্ৰন্থখন ৰচনা কৰা হৈছে৷ শাৰদা দেৱীৰ 'প্ৰতিৰোধৰ আলেখ্য' (১৯৮১) গ্ৰন্থখনত অসম আন্দোলনৰ বিভিন্ন ঘটনাক্ৰম, আন্দোলনত নাৰীৰ ভূমিকা, শ্বহীদসকলৰ জীৱনগাথা সম্পৰ্কে আলোচনা কৰা হৈছে৷ অসম আন্দোলনকেন্দ্ৰিক বলেন বৰগোহাঁইৰ (সম্পা.) 'ৰক্তাক্ত অসম' (১৯৮৭) শীৰ্ষক গ্ৰন্থখন আন্দোলনৰ বিভিন্ন দিশ সামৰি লেখা প্ৰবন্ধসমূহৰ সংকলিত ৰূপ৷ গ্ৰন্থখনত আন্দোলনৰ নেতা প্ৰফুল্ল কুমাৰ মহন্ত, বৃন্দাবন গোস্বামী আদিৰ লগতে যোগেশ দাস, ভূবন বৰুৱা, কনকসেন ডেকা, উদয়ন মিশ্ৰ, জয়ন্ত কুমাৰ গগৈ আদিৰ আন্দোলন বিষয়ক ভিন্ন লেখাৰে গ্ৰন্থখন সমৃদ্ধ হৈছে৷ বিদেশী বিতাড়ন আন্দোলন বিষয়ক আন এখন উল্লেখযোগ্য গ্ৰন্থ হ'ল অমলেন্দু গুহৰ 'অসম নমৰে, আমিও নমৰোঁ' (১৯৯৩) (সম্পা.)৷ গ্ৰন্থখনত প্ৰকাশ পোৱা প্ৰবন্ধসমূহত আন্দোলনৰ লগতে বিদেশীৰ স্বৰূপ, জাতি-জাতীয়তাবাদ আদি সম্পৰ্কে দিশসমূহ সামৰি লোৱা হৈছে৷ হেৰম্বকান্ত বৰপূজাৰীৰ 'উত্তৰ-পূৰ্বাঞ্চলৰ সমস্যা আৰু ৰাজনীতি' (১৯৯৯) গ্ৰন্থখনো এইক্ষেত্ৰত উল্লেখযোগ্য৷ কেবাটাও অধ্যায়ত বিভাজিত গ্ৰন্থখনত প্ৰব্ৰজন, বিদেশী বিতাড়ন আন্দোলন, অসম চুক্তি, ৰাজ্য পুনৰ গঠন ইত্যাদি দিশসমূহত আলোকপাত কৰা হৈছে৷ হীৰেন গোঁহাই আৰু দিলীপ বৰা

সম্পাদিত 'অসম আন্দোলনঃ প্ৰতিশ্ৰুতি আৰু ফলশ্ৰুতি' (২০০১) অসম আন্দোলন সম্পৰ্কীয় উল্লেখযোগ্য গ্ৰন্থ। গ্ৰন্থখনৰ আৰম্ভণিৰ সুদীৰ্ঘ অংশত অসম আন্দোলনৰ পটভূমি, গতিপ্ৰৱাহৰ লগতে ভিন্ন দিশ ফঁহিয়াই আলোচনা কৰিছে। আন্দোলনৰ সমৰ্থনকাৰী আৰু আন্দোলন বিৰোধী দুয়োটা শিবিৰৰ মানুহৰপৰা সংগ্ৰহ কৰা ১৬টা প্ৰবন্ধ গ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে। প্ৰব্ৰজনকাৰী সমস্যা, আন্দোলনৰ বিভিন্ন পৰ্যায়, জাতীয়তাবাদৰ উত্থান, আন্দোলনৰ সামাজিক মূল্যবোধ, আন্দোলনৰ লগত জড়িত জনগোষ্ঠীয় সংখ্যালঘুৰ বিভিন্ন দিশ আদি বিষয়সমূহৰ নিৰপেক্ষ আলোচনা কৰা হৈছে। পুলিন কলিতাৰ 'অসমীয়াৰ সংজ্ঞা, অসমীয়াৰ অস্তিত্ব' (২০০৬) শীৰ্ষক গ্ৰন্থখনত আন্দোলনৰ অৱস্থা, প্ৰব্ৰজনৰ লগতে ইতিবাচক আৰু নেতিবাচক দৃষ্টিকোণেৰে আন্দোলনক বিচাৰ কৰা হৈছে। অস্তিত্ব ৰক্ষাৰ আন্দোলনকেন্দ্ৰিক আন এখন গ্ৰন্থ হৈছে হৰেকৃষ্ণ ডেকাৰ 'প্ৰব্ৰজন আৰু অনুপ্ৰৱেশ ঃ এটা সমস্যাৰ দুটা ৰূপ' (২০১০)। গ্ৰন্থখনত ব্ৰিটিছ ঔপনিৱেশিককালত হোৱা প্ৰব্ৰজনৰ ইতিহাসৰ লগতে স্বাধীনতাৰ সময়ত অসমত সংঘটিত হোৱা প্ৰব্ৰজন অনুপ্ৰৱেশকাৰীৰ দিশটোক যুক্তিৰে ফঁহিয়াই চোৱা হৈছে। অখিল গগৈৰ 'বিদেশী অনুপ্ৰৱেশৰ সমস্যা আৰু জাতীয় আন্দোলনৰ পথ' (২০১২) শীৰ্ষক গ্ৰন্থখনত আন্দোলনৰ বিভিন্ন দিশ সামৰি লোৱাৰ লগতে অনুপ্ৰৱেশকাৰীৰ সমস্যা আৰু সমাধান সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। ঐতিহাসিক পৰিঘটনা হিচাপে চিহ্নিত অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা সংঘাতৰ অন্যতম উদাহৰণ 'চাউলখোৱা সংঘৰ্ষক' কেন্দ্ৰ কৰি দিগন্ত শৰ্মাই চাউলখোৱা ১৯৮৩ (২০১২) নামেৰে এখন গ্ৰন্থ যুগুত কৰে। মূলতঃ ক্ষেত্ৰভিত্তিক অধ্যয়নেৰে প্ৰণয়ন কৰা গ্ৰন্থখনত চাউলখোৱাত সংঘটিত হোৱা গণহত্যা সম্পৰ্কে তথ্য আগবঢ়োৱা হৈছে। হোমেন বৰগোহাঞিৰ 'নাগৰিকৰ পাতত অসমৰ বহিৰাগত সমস্যা' (২০১৩) অসম আন্দোলন সম্পৰ্কীয় এখন উল্লেখযোগ্য গ্ৰন্থ। আন্দোলনৰ সময়ৰ সাপ্তাহিক কাকত 'নাগৰিক'ত সম্পাদক হোমেন বৰগোহাঞিৰ বহিৰাগত সমস্যাকেন্দ্ৰিক এলানী প্ৰবন্ধৰাজিক একত্ৰিত কৰি সম্পাদক ৰণজিৎ সভাপণ্ডিতে এই গ্ৰন্থখন প্ৰকাশ কৰিছে। অৱশ্যে সংশ্লিষ্ট গ্ৰন্থখনত হোমেন বৰগোহাঞিদেৱৰ উপৰিও গোলাপ বৰবৰা, হিতেশ্বৰ শইকীয়া, দ্বিজেন গোস্বামী, বিষ্ণুলাল উপাধ্যায়, বিনয় বৰদলৈ আৰু প্ৰজ্ঞান বৰুৱাৰ লেখাও অন্তৰ্ভুক্ত কৰা হৈছে। অসম আন্দোলনকেন্দ্ৰিক তথ্যসমৃদ্ধ লেখাৰে জয়শ্ৰী গোস্বামী মহন্তৰ সম্পাদনাত 'অসম আন্দোলনঃ যুগমীয়া চিন্তাৰ এক প্ৰতিফলন' নামেৰে আঠটা খণ্ড প্ৰকাশ পায়। প্ৰথম খণ্ড (২০১৪)ত প্ৰফুল্ল কুমাৰ মহন্তৰ 'অসমৰ অহিংস আন্দোলন আৰু চৰকাৰৰ প্ৰহসন', নগেন শইকীয়াৰ 'অসম আন্দোলনৰ শিক্ষা', দেৱেন দত্তৰ 'আন্দোলন বনাম বিক্ষোভ', সতেন্দ্ৰ প্ৰসাদ ডেকাৰ 'আন্দোলন আৰু কাছাৰ', কুমুদ নাথ শৰ্মাৰ 'ইন্দিৰা-সুজিব সন্ধি আৰু সংবিধান', ভৰতাৰণ দাসৰ 'অসম আন্দোলন বনাম চৰকাৰৰ দৃষ্টিভংগী'ৰ লগতে এম ভি কামাথ, বিশ্ব গোস্বামী, দেৱেশ্বৰ শৰ্মা, ধৰণৰ হুজুৰী, বিমান বৰুৱা, দীনেশ্বৰ তাছা আদিৰ প্ৰবন্ধ প্ৰকাশ পাইছে। দ্বিতীয় খণ্ড (২০১৪)ত আন্দোলনত বঙালী বুদ্ধিজীৱীৰ ভূমিকা, আলোচনাৰ গতিবিধি, চৰকাৰী পক্ষৰ ভূমিকা, জাতীয়বাদ, নতুন ৰাজনৈতিক দলৰ চিন্তা, আন্দোলনত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ ভূমিকা, আন্দোলনত মাতৃগোটৰ ভূমিকাদিৰ সম্পৰ্কে বিশদ আলোচনা আগবঢ়োৱা হৈছে। প্ৰফুল্ল কুমাৰ মহন্ত, শেখৰ গুপ্তা, কুলদীপ নায়াৰ, ভৃগু কুমাৰ ফুকন, কুমুদ নাথ শৰ্মা, মজিদুৰ ৰহমান, প্ৰফুল্ল মহন্ত, দেৱেন দত্ত, টুনুৰাণী গগৈ, জয়শ্ৰী গোস্বামী, পৰাগ চলিহা, মোহন বৰা, মাখন বাঢ়ৈ, মামণি ডেকাৰ প্ৰবন্ধৰাজিৰে দ্বিতীয় খণ্ডটো প্ৰকাশিত হৈছে। মুঠ ৪৯ টা প্ৰবন্ধৰে তৃতীয়টো খণ্ডত (২০১৪) সন্নিৱিষ্ট হৈছে প্ৰফুল্ল কুমাৰ মহন্তৰ 'অসম আৰু অসমবাসীৰ ভৱিষ্যৎ'ৰ লগতে তিনিটা প্ৰবন্ধ, তোষেশ্বৰ তামুলী ফুকনৰ 'সিংহৰ আত্মবলিদান শিয়ালৰ আত্মপ্ৰতিষ্ঠা নকৰে যেন', প্ৰসেনজিৎ ব্ৰহ্মাৰ 'পিটিচিৰ বিৰুদ্ধে সমালোচনা আৰু আক্ৰমণৰ সন্দৰ্ভত', ডº বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ন আগষ্ট আৰু পোন্ধৰ আগষ্ট', সুৰেন্দ্ৰ চন্দ্ৰৰ 'চৰকাৰ আৰু ৰঙা ফিটা', জ্ঞান হাজৰিকাৰ 'শ্বহীদ ধ্ৰুৱজ্যোতি নাথৰ সোঁৱৰণত', চুচেন বৰপাত্ৰ গোহাঁইৰ 'অসমৰ সমস্যাৰ সন্দৰ্ভত আৰ্ছ কংগ্ৰেছ', পুণ্য শইকীয়াৰ 'অসমৰ

ৰাইজে গৰুক বাঘ নোৱালে', ড° দিলীপ কুমাৰ দত্তৰ 'অসম আন্দোলনৰ বিষয়ে আন এক দৃষ্টিভংগী' ইত্যাদি আন্দোলন বিষয়ক বিভিন্ন লেখা। চতুৰ্থ খণ্ড (২০১৫)ত প্ৰকাশিত মুঠ প্ৰবন্ধৰ সংখ্যা হৈছে ৫৪ টা। গ্ৰন্থখনত বাতৰি-কাকতৰ পৰা সংগ্ৰহীত লেখাৰ উপৰি শ্বহীদৰ জীৱনী তথা দায়বদ্ধতা আন্দোলনত মৰিগাঁও জিলাৰ ভূমিকা, অসম চুক্তি, আঞ্চলিক ৰাজনীতি, সান্ধ্য আইন, সাধাৰণ জনতা বা আন্দোলনকাৰীৰ ওপৰত চলা অত্যাচাৰ আদি সম্পৰ্কে আলোচনা আগবঢ়াইছে। লগতে শেষৰফালে অসম আন্দোলনৰ শ্বহীদসকলৰ তালিকাৰ লগতে আন্দোলনৰ সময়ৰ বিভিন্ন ছবি সন্নিৱিষ্ট কৰা হৈছে। ৬৯ টা লেখাৰে পৰিপুষ্ট পঞ্চম খণ্ড (২০১৫)ত প্ৰফুল্ল কুমাৰ মহন্তৰ অসম সমস্যা - আলোচনা আৰু ভৱিষ্যৎ, বীৰেন্দ্ৰ কুমাৰ পাটগিৰিৰ শ্বহীদ দিলীপ হুজুৰীৰ সোঁৱৰণত, অজিত কুমাৰ শৰ্মাৰ বালীলৈ যি পাট, সুগ্ৰীৱলৈও সেই পাট, খনীন্দ্ৰ চন্দ্ৰ বৰুৱাৰ ভোটাৰ তালিকা সংশোধনৰ পদ্ধতিৰ সন্দৰ্ভত পৰামৰ্শ, জ্যোৎস্না সোণোৱালৰ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ্থে আমাৰ দায়িত্ব, মনেশ্বৰ দেউৰীৰ অসমৰ জনজাতি ক'ত?, অতুল চন্দ্ৰ হাজৰিকাৰ সাম্প্ৰতিক আদিৰ উপৰি দৈনিক অসম, অগ্ৰদূত আদিৰ পৰাও প্ৰবন্ধ সংগ্ৰহ কৰি সন্নিৱিষ্ট কৰা হৈছে। শেষত আন্দোলনৰ সময়ৰ গুলিবিদ্ধৰ এখন তালিকাও দাঙি ধৰা হৈছে। অসম আন্দোলনৰ শ্বহীদ আৰু নিৰ্যাতিতসকলৰ পৱিত্ৰ স্মৃতিত উছৰ্গা কৰা হৈছে ষষ্ঠ খণ্ড (২০১৫)। নগেন শইকীয়াৰ অসম-চুক্তি ঃ ক্ৰিয়া-প্ৰতিক্ৰিয়া, বেদব্ৰত বৰুৱাৰ অসম তথা ভাৰতৰ সাম্প্ৰতিক ৰাজনীতি, অতুল চন্দ্ৰ হাজৰিকাৰ পুৱতি নিশাৰ চুক্তিলৈ ওলগ, কনকসেন ডেকাৰ অসম চুক্তি ঃ ষড়যন্ত্ৰ আঁতৰা নাই, হবিবৰ ৰহমানৰ জাতীয় অভিবৰ্ত্তনৰ চলন্তিকা, প্ৰদীপ কুমাৰ দেৰ অসম আন্দোলনৰ গতি আৰু প্ৰগতি, কমলা শইকীয়াৰ দল গঠন আৰু আগন্তুক নিৰ্বাচন, শংকৰ শইকীয়াৰ পঁচাশীৰ টোপধবনি, বীৰেন বৰকটকীৰ বস্তি জ্বলোৱা, কমল কছাৰীৰ মেৰাপানীৰ বিননি, পৰমানন্দ গোস্বামীৰ শ্বহীদ আদিৰ লগতে ভিন্ন বাতৰি-কাকতৰ পৰা সংগ্ৰহ কৰি মুঠ ৫৮ টা প্ৰবন্ধৰে খণ্ডটো পৰিপূৰ্ণ কৰা হৈছে। লগতে শেষৰফালে আন্দোলনৰ সময়ৰ নিখোজ-পংগু-নিৰ্যাতিতসকলৰ তালিকাৰ লগতে আন্দোলনৰ সময়ৰ বিভিন্ন স্মাৰকপত্ৰ সন্নিৱিষ্ট কৰিছে। সপ্তম খণ্ড (২০১৫)ত প্ৰকাশিত লেখাবোৰ মূলতঃ অসম চুক্তিৰ পৰৱৰ্তী সময়ক কেন্দ্ৰ কৰি ভিন্ন বাতৰি-কাকত, আলোচনীৰ পাতত লিখা প্ৰবন্ধসমূহৰ মাজেৰে পৰ্যালোচনা কৰা দেখা গৈছে। লগতে অষ্টম খণ্ড (২০১৫)তো আন্দোলনৰ পৰৱৰ্তী সময়ৰ বিভিন্ন দিশ সামৰি কাকত-আলোচনীত প্ৰকাশিত লেখা বা প্ৰতিবেদনসমূহ প্ৰকাশ পাইছে। দিগন্ত শৰ্মাৰ ১৯৮৩ ৰ 'অসমত নিপীড়িত বাঙালী' (২০১৫) গ্ৰন্থখন আন্দোলনৰ সময়ৰ লিখকৰ চিলাপথাৰ, ধেমাজি, গোৰেশ্বৰ গণহত্যাৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ ফচল। মূলতঃ আন্দোলনৰ সময়ত বাঙালীসকলৰ ওপৰত হোৱা অত্যাচাৰৰ বৰ্ণনা গ্ৰন্থখনত দেখিবলৈ পোৱা যায়। মনোজ কুমাৰ নাথ ৰচিত 'অসম আন্দোলনঃ পটভূমি ইতিহাস বৰ্তমান' (২০১৬) শীৰ্ষক গ্ৰন্থখনতো নিৰপেক্ষ দৃষ্টিভংগীৰে আন্দোলনৰ সময়ছোৱাক আলোচনা কৰা হৈছে। সাংবাদিকতাৰ লগত জড়িত লেখকজনে বিদেশী সমস্যাৰ ঐতিহাসিক পটভূমি, প্ৰব্ৰজনৰ সমস্যা, আন্দোলনৰ ইতিহাস, অসম চুক্তি আদিবোৰ দিশ সম্পৰ্কে বৰ্ণনা কৰিছে। পৰী শইকীয়াৰ সম্পাদনাত প্ৰকাশিত 'প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ অসমৰ ছাত্ৰ সংগঠন আৰু আন্দোলনৰ ইতিহাস' (২০১৬) অস্বিত্ব ৰক্ষাৰ আন্দোলন সম্পকীয় আন এখন উল্লেখযোগ্য গ্ৰন্থ। সদৌ অসম ছাত্ৰ সন্থাৰ ইতিহাস আৰু আন্দোলনত ছাত্ৰ সংগঠনৰ ভূমিকা সম্পৰ্কে আলোচনা কৰাৰ লগতে অসম আন্দোলনৰ গতি-বিধি সম্পৰ্কে বিস্তৃত তথ্য গ্ৰন্থখনে দাঙি ধৰিছে। গ্ৰন্থখনৰ পৰিশিষ্টত সদৌ অসম ছাত্ৰ সন্থাৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ছাত্ৰ সংগঠনৰ আলোচনা, আন্দোলনৰ সময়ৰ ভিন্ন বা-বাতৰিসমূহো প্ৰকাশ কৰিছে। আন্দোলনৰ দস্তাবেজ হিচাপে বসন্ত ডেকাৰ 'অভিসন্ধি, প্ৰতাৰণা, অসম আন্দোলন' (২০১৭) শীৰ্ষক গ্ৰন্থখন উল্লেখযোগ্য। গ্ৰন্থখনত অসম আন্দোলনৰ পটভূমি সম্পৰ্কে বিস্তৃত তথ্য দাঙি ধৰা হৈছে। আন্দোলনৰ সময়ত কেন্দ্ৰ তথা ৰাজ্য প্ৰশাসনৰ ভূমিকা, আন্দোলন দমন কৰিবলৈ বলবৎ হোৱা ৰাষ্ট্ৰপতি শাসন আদি সম্পৰ্কে লিখকে বিহংগম দৃষ্টিভংগীৰে

আলোচনা কৰিছে৷ আব্দুল মান্নানৰ ‘অনুপ্ৰৱেশঃ অসম আন্দোলনৰ আদিকথা’ (২০১৭) শীৰ্ষক গ্ৰন্থখনত অনুপ্ৰৱেশৰ সমস্যা আৰু ইয়াৰ প্ৰেক্ষাপট সম্পৰ্কে আলোচনা কৰাৰ লগতে অসম আন্দোলনৰ দিশসমূহৰ বিষয়ে বিশ্লেষণ কৰিছে৷ অঞ্জন শৰ্মাৰ ‘অসম আন্দোলনৰ অসম্পূৰ্ণ ইতিহাস’ (২০১৮) অসম আন্দোলন সম্পৰ্কীয় আন এখন উল্লেখযোগ্য গ্ৰন্থ৷ গ্ৰন্থখনত লেখকে ১৯৭৮ চনৰপৰা ১৯৮৫ চনৰ ২৫ আগষ্ট পৰ্যন্ত আন্দোলনৰ লগত জড়িত দিশবোৰৰ চন অনুসাৰে তথ্যভিত্তিক আলোচনা যুগুত কৰিছে। হিৰণ্য কুমাৰ ভট্টাচাৰ্য্যৰ ‘বিশ্বব্যাপী আগ্ৰাসী অনুপ্ৰৱেশ’ (২০১৮) শীৰ্ষক গ্ৰন্থখনত বিশ্বত সৰ্বব্যাপী হোৱা অনুপ্ৰৱেশৰ সমস্যাক দৃষ্টিগোচৰ কৰি অসমৰ বাংলাদেশী অনুপ্ৰৱেশৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে৷ ৰাজা চক্ৰৱৰ্তীৰ ‘অসম আন্দোলনত যোৰহাট’ (২০১৯) শীৰ্ষক গ্ৰন্থত আন্দোলনৰ ঘটনা-প্ৰবাহত যোৰহাটৰ ভূমিকা সম্পৰ্কে বিতংকৈ আলোচনা কৰিছে৷ হীৰেন চহৰীয়াৰ ‘শিল বেপাৰীৰ আত্মকথাঃ অসম আন্দোলন, কাৰাৰুদ্ধ জীৱন আৰু ইটো-সিটো’ (২০১৯)ত লিখকৰ আন্দোলনৰ সময়ছোৱাত কাৰাগাৰৰ বাহিৰে-ভিতৰে লিখা বিভিন্ন লেখাৰ আলম লৈ গ্ৰন্থখন প্ৰস্তুত কৰিছে৷ আন্দোলন বিষয়ক মানস কুমাৰ মহন্তৰ ‘ঐতিহাসিক অসম আন্দোলনঃ জুয়ে পোৰা সাতটা বছৰ’ (২০১৯) আন এখন উল্লেখযোগ্য গ্ৰন্থ৷ অসম আন্দোলনৰ প্ৰেক্ষাপট, আৰম্ভণি, বিস্তৃতি, অসম চুক্তি সম্পৰ্কে লিখকে ২২ টা অধ্যায়ৰ জৰিয়তে গ্ৰন্থখনত বিশ্লেষণাত্মক দৃষ্টিভংগীৰে আলোচনা কৰিছে৷ গ্ৰন্থখনৰ পৰিশিষ্ট অংশত আন্দোলনৰ পূৰ্বৰ আৰু পৰৱৰ্তী সময়ৰ কিছুমান তথ্যৰ লগতে আলোকচিত্ৰও সংযোগ কৰা হৈছে৷ আন্দোলনৰ দস্তাবেজ হিচাপে উপেন বৰুৱাৰ ‘অসমৰ বিদেশী সমস্যাঃ এক অৱলোকন’ (২০২১) শীৰ্ষক গ্ৰন্থখন উল্লেখযোগ্য৷ অসমলৈ বহিৰাগতৰ প্ৰব্ৰজন, গণ জাগৰণৰ আৰম্ভণি, আন্দোলনৰ পৰিসমাপ্তি আৰু অসম চুক্তি আদি সম্পৰ্কে গ্ৰন্থখনত আলোচনা আগবঢ়াইছে৷ অদীপ কুমাৰ ফুকন ৰচিত ‘অসমৰ ছাত্ৰ আন্দোলন’ (২০২২) শীৰ্ষক গ্ৰন্থখনত ছাত্ৰ সমাজৰ জাতীয়তাবোধ, আন্দোলনৰ কাৰ্যসূচী, অসম চুক্তি, চুক্তিৰ পৰৱৰ্তী সময়ৰ ছাত্ৰ সমাজৰ প্ৰতিবাদ আদি দিশৰ আলোচনা কৰা হৈছে৷

৫. সামৰণিঃ

আন্দোলনৰ ভিত্তিত ৰচিত এই গ্ৰন্থসমূহৰ মাজেৰে প্ৰব্ৰজনৰ ৰাজনৈতিক-অৰ্থনৈতিক দিশটো প্ৰতিস্ফূট হৈছে৷ অনুপ্ৰৱেশকাৰীৰ সমস্যা সম্পৰ্কে যুক্তিসহ গ্ৰন্থসমূহত আলোচনা দাঙি ধৰা দেখিবলৈ পোৱা গৈছে৷ অসম আন্দোলনৰ ঘটনাপ্ৰৱাহ সম্পৰ্কে গ্ৰন্ধসমূহৰ জৰিয়তে নিৰ্ভৰযোগ্য তথ্য পোৱা গৈছে৷ গ্ৰন্থসমূহত প্ৰকাশিত হোৱা সমালোচনামূলক লিখনিসমূহত ঐতিহাসিক অসম চুক্তিৰ বিভিন্ন দিশৰ পৰ্যালোচনা হৈছে৷ লগতে প্ৰয়োজনসাপেক্ষে আন্দোলনৰ সময়ৰ বিভিন্ন আলোকচিত্ৰ, শ্বহীদৰ তালিকাও গ্ৰন্থসমূহত অন্তৰ্ভুক্ত হোৱা দেখা গৈছে৷

গ্ৰন্থপঞ্জীঃ

1. ওজা, দিগন্ত৷ অসম আন্দোলনৰ তথ্যকোষ (প্ৰথম খণ্ড)৷ অসম চুক্তি ৰূপায়ণ বিভাগ৷ গুৱাহাটী৷ প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২০৷ সম্পাদিত৷
2. ওজা, দিগন্ত৷ অসম আন্দোলনৰ তথ্যকোষ (দ্বিতীয় খণ্ড)৷ অসম চুক্তি ৰূপায়ণ বিভাগ৷ গুৱাহাটী৷ প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২১৷ সম্পাদিত৷
3. ওজা, দিগন্ত৷ অসম আন্দোলনৰ তথ্যকোষ (তৃতীয় খণ্ড)৷ অসম চুক্তি ৰূপায়ণ বিভাগ৷ গুৱাহাটী৷ প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২১৷ সম্পাদিত৷

4. ওজা, দিগন্ত। অসম আন্দোলনৰ তথ্যকোষ (চতুৰ্থ খণ্ড)। অসম চুক্তি ৰূপায়ণ বিভাগ। গুৱাহাটী। প্ৰথম প্ৰকাশ, ২০২২। সম্পাদিত।
5. ওজা, দিগন্ত। অসম আন্দোলনৰ তথ্যকোষ (পঞ্চম খণ্ড)। অসম চুক্তি ৰূপায়ণ বিভাগ। গুৱাহাটী। প্ৰথম প্ৰকাশ, ২০২২। সম্পাদিত।
6. গগৈ, অখিল। অসমীয়া জাতীয়তাবাদঃ স্বাধিকাৰ প্ৰতিষ্ঠাৰ সংগ্ৰাম। বনলতা। গুৱাহাটী। প্ৰথম সংস্কৰণ, জুন, ২০১৮।
7. গোহাঁই, হীৰেন; বৰা, দিলীপ। অসম আন্দোলনঃ প্ৰতিশ্ৰুতি আৰু ফলশ্ৰুতি। বনলতা। গুৱাহাটী। তৃতীয় সংস্কৰণ, ডিচেম্বৰ, ২০২০। সম্পাদিত।
8. গোহাঁই, হীৰেন। প্ৰগতিৰ সংগ্ৰাম আৰু অস্তিত্বৰ ছন্দ। বনলতা। গুৱাহাটী। প্ৰথম সংস্কৰণ, ডিচেম্বৰ, ২০১৪।
9. নাথ, মনোজ কুমাৰ। অসম আন্দোলনঃ পটভূমি-ইতিহাস-বৰ্তমান। আঁক-বাক। গুৱাহাটী। চতুৰ্থ প্ৰকাশ, নৱেম্বৰ, ২০২২।
10. পাঠক, ফণীধৰ। ভৱিষ্যত অসমৰ দস্তাবেজ। বনলতা। গুৱাহাটী। প্ৰথম সংস্কৰণ, ২০১৫। সম্পাদিত।
11. ফুকন, অদীপ কুমাৰ। অসমৰ ছাত্ৰ আন্দোলন। ৰেখা প্ৰকাশন। গুৱাহাটী। প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০২২।
12. বৰুৱা, উপেন। অসমৰ বিদেশী সমস্যা এক অৱলোকন। জাগৰণ সাহিত্য প্ৰকাশন। গুৱাহাটী। প্ৰথম প্ৰকাশ, জুলাই, ২০২১।
13. মহন্ত, মানস কুমাৰ। অসমীয়া জাতীয়তাবাদৰ ইতিহাসঃ ইয়াণ্ডাবু সন্ধিৰ পৰা বৰ্তমানলৈকে। জাগৰণ সাহিত্য প্ৰকাশন। চানমাৰি। প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০১৭।
14. শৰ্মা, অঞ্জন। অসম আন্দোলনৰ অসম্পূৰ্ণ ইতিহাস। পাৰাৰচিফ্‌ট। গুৱাহাটী। প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ২০১৮।